**মোৰ প্ৰিয়,**
**সতীৰ্থ সকল,**
**বন্ধু- বান্ধবী সকল আৰু**
**মৰমৰ ছাত্ৰ-ছাত্ৰী সকল,**
**(পঢ়িব/পঢ়িবা বুলি আশা কৰিলো )**

ল'ক ডাউন আজি ২০ দিনত ভৰি দিছে: ১৩/০৪/২০২০
( LOCKDOWN: A Situation in which people are not allowed to enter or leave a building or area freely because of an emergency: )

ল'কডাউন বিশ্ববাসীৰ বাবে এটা নতুন শব্দ যদিও বিগত ১৯ টা দিনত প্ৰতিজন ভাৰতীয়ৰ বাবে এই ল'কডাউন : কাউন্টডাউনলৈ প্ৰৰ্যবেশিত হৈছে । অৰ্থাৎ প্ৰতিজনৰ মুখত প্ৰতিমূহুৰ্ত্ততে এটাই কথা, কেতিয়া খুলিব ল'ক....। ল'কডাউন প্ৰথম ঘোষনা কৰোতে এই অপৰিচিত শব্দতোক লৈ সকলোৱে অস্থিৰ , অতিষ্ঠ আৰু ভূতিগ্ৰস্ত হৈছিল আৰু সময় বাগৰাৰ লগে লগে কিছু-কিছুৱে পৰিৱেশ পৰিস্থিতিৰ লগত একাত্মবোধ হবলৈ শিকিছে । আচলতে মানৱ জাতিয়ে যোৱা শতিকাৰ পৰা নিজকে প্ৰকৃতিৰ পৰা বিশ্চিন্ন হোৱাৰ পথ অনুকৰন কৰিছিল । যাৰ ফলত মানুহৰ মন অস্থিৰতা , হিংসাকুৰীয়া , ব্যক্তিকেন্দ্ৰিক, উচ্ছাভিলাসীতা আদি প্ৰৱনতাই গা কৰি উঠিছিল ।যাৰ পৰিনতিত আজিৰ এই পৰিবৰ্তিত পৰিস্থিতিত আমি -#অস্থিৰ । আমি যিমানেই প্ৰকৃতিৰ পৰা আতৰি আহিলো সিমানেই আমি অকামিলা হবলৈ শিকিলো । ফলত ২১ দিন আমাৰ কাৰনে হৈ পৰিল যেন ২ বছৰ ১০ দিন ।

বহুতে হয়তো ভাবিছে ???

ল'কডাউনৰ লগত প্ৰকৃতিৰ সম্পৰ্ক কি ?? আছে , নিশ্চয় আছে ।

আজি ক'ম প্ৰকৃতিয়ে কেনেকৈ পালন কৰে ল'কডাউন , প্ৰকৃতিৰ পৰা আমি কি শিক্ষা লব পাৰোঁ ।

ক) আজি পুৱা বিচনাৰ পৰা উঠি ঘৰৰ চৌহদত থকা শিলিখা গছ জোপালৈ চকু পৰিল ।গছজোপাৰ ডালত এখিলাও পাত নাই । পাত নাই মানে গছজোপাৰ যোৱা তিনিমাহ উপাৰ্জন নাই । পাত থাকিলেহে গছে খাদ্য প্ৰস্তুত কৰিব পাৰে । এই তিনিমাহ খাদ্য প্ৰস্তুত কৰিব নোৱাৰাৰ বাবে গছজোপা মৰি গ'ল নেকি ? দুখত ভাগি পৰিছে নেকি ? দেখাত শুকান , লঠঙা ,নিৰ্জীৱ যেন লাগিছে । মৰিল নেকি ? নিশ্চয় মৰা নাই ।গছজোপাই ভালদৰে জানে যোৱা তিনিমাহ মোৰ বাবে মহা সংকটৰ সময় । সেইবাবে গছত থকা প্ৰয়োজনীয় পানী খিনি পাতত থকা পত্ৰৰন্ধ্ৰৰ যোগেদি বাষ্পীভৱন হোৱাতো ৰোধ কৰিবৰ বাবে প্ৰকৃতিৰ নিয়ম মানি পাত সৰি সংকটৰ সময়খিনি অতিবাহিত কৰে ।
পাত সৰাৰ পৰা ন-কুঁহি পাত ওলোৱালৈকে এই সময়চোৱা শিলিখাজোপাৰ - "ল'কডাউন"ৰ সময় । প্ৰতি বছৰে গছ জোপাই পালন কৰে তিনিমাহ #ল'কডাউন । তিনিমাহৰ বাবে যাৱতীয় আহাৰ গছজোপাই সংৰক্ষন কৰিবলেও জানে ।

খ) অসমীয়াৰ কুলি জনী ৬ মাহ অসমত থাকি ৬ মাহ ক'লৈ যায় ? ৬ মাহ ল'কডাউন পালন কৰে । বসন্তৰ আগমনত ল'কডাউন ভঙ্গ কৰি বহাগৰ বতৰা লৈ চত'ৰ শেষত পুনৰ কুউ..., কুউ.... কৈ আত্মপ্ৰকাশ কৰে ।

গ) অসমীয়াৰ জাতীয় ফুল কপৌ জোপাই বছৰত ১১ মাহেই ল'কডাউন পালন কৰে । বহাগত
আত্ম প্ৰকাশ কৰি ৰমক-জমক হৈ কি'যে অপৰূপ সৌন্দয্য বিলাই। " অসমীয়াৰ মন প্ৰান মোহিত কৰে " ।

ল'কডাউন মানি চলা আৰু বহু জীৱ- জন্তুৰ নাম উল্লেখ কৰিব পাৰি ; #সাপ , #স্হানীয় মাছ , #ভেকুলি .... ইত্যাদি

#এতিয়া বুজিলেনে ? আমাৰ কি অৱস্থা !!! আমি মানুহে ২১ দিন ল'কডাউন পালন কৰি ঘৰতে থকাৰ শক্তি সামৰ্থ্য নাই । " প্ৰকৃতিৰ এই ল'কডাউন বেয়া নেকি ? " "নিশ্চয় ভাল" ।

#কভিড-১৯ ৰ ভয়ত ল'কডাউন পালন কৰাতকৈ , সমগ্ৰ মানৱ জাতিয়ে পাৰিলে বছৰত অতি কমেও এমাহ একে সময়তে প্ৰকৃতিৰ নিয়ম মতে ল'কডাউন পালন কৰা উচিত । "ল'কডাউন মানক প্ৰকৃতি বচাওক "

#ক'ৰোনাই আমাক ল'কডাউন #মানিবলৈ বাধ্য কৰালে আৰু " শিলিখা জোপা , কুলি জনী আৰু কপৌ জোপাই " #ল'কডাউন #পালন কৰিবলৈ শিকালে ।

আজি উৰুকা , "এইবাৰ অসমীয়াই ধৰ্য্য ধৰক " বিহু মাৰিবলৈ যাৱ নেলাগে -বিহুৰ পৰম্পৰা ঘৰতে পালন কৰক ।

" সুখেৰে থাকক, ঘৰতে থাকক , শান্তিত থাকক "
শেষত সকলোলৈকে ৰঙালী বিহুৰ শুভেচ্ছা জনালোঁ

**ড° ৰঞ্জিত শইকীয়া**
**অধ্যক্ষ**